# NSD NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 24-06-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত আজি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত The Emergency Diaries-Years that forged a leader" শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে।

৩। ইৰানৰ সংসদে আজি ৰাষ্ট্ৰসংঘৰ পাৰমাণৱিক কাৰ্যসূচী আন্তৰাষ্ট্ৰীয় আনৱিক শক্তি সন্থাৰ সৈতে সহযোগিতাৰ বাতিল কৰাৰ বিধেয়কত অনুমোদন দিছে।

৪। পুৰীত পৰহিলৈৰ পৰা বিশ্ব প্ৰসিদ্ধ মহাপ্ৰভূ জগন্নাথৰ ৰথযাত্ৰা সফলতাৰে সম্পন্ন কৰাৰ বাবে নিৰাপত্তা ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা হৈছে। ***আৰু***

৫। পুৰুষৰ হকী ইণ্ডিয়া মাষ্ট্ৰাছ ক্লাৰ প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত তামিলনাডুৰে আজি চণ্ডিগড়ক ৩ গলত পৰাজিত কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে ৩ হাজাৰ ৬২৬ কোটি টকা ব্যয় সাপেক্ষ পুণে মেট্ৰ' ৰে'ল প্ৰকল্পৰ দ্বিতীয় পৰ্যায় সংবৰ্ধনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সংবাদ মাধ্যমৰ আগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকৰ কথা অৱগত কৰি কয় যে ১৩ টা ষ্টেছনেৰে ১২ দশমিক ৭-৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ অতিৰিক্ত ৰে'ল পথটো নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। তেওঁ কয় যে পুণে মেট্ৰ ৰেল প্ৰকল্পই তথ্য প্ৰযুক্তি হাব, বাণিজ্যিক অঞ্চল, শিক্ষা প্ৰতিষ্ঠান আৰু আৱাসীক অঞ্চলক সামৰি ৰাজহুৱা পৰিবহন ব্যৱস্থা সূচল কৰিব। শ্ৰীবৈষ্ণৱে কয় যে, কেবিনেটে লগতে ঝাৰখণ্ডৰ ঝাৰিয়াৰ কয়লাখনি পুনৰ প্ৰৱৰ্তনৰ বাবে মাষ্টাৰ প্লেনৰ পুনৰীক্ষণ কৰিব। তেওঁ কয়, যে পুনৰ প্ৰৱৰ্তন কৰা মাষ্টাৰ প্লেনৰ জৰিয়তে ঝাৰিয়া কয়লাখনিৰ বাবে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ পুনৰ সংস্থাপন, ভূমিৰ বিনিময়ত ক্ষতিপূৰণ দিয়া আদি বিষয়সমূহ সামৰি লোৱা হৈছে। তেওঁ কয় যে ইয়াৰ বাবে ৫ হাজাৰ ৯৪০ কোটি টকা ধাৰ্য্য কৰা হৈছে। শ্ৰীবৈষ্ণৱে লগতে জানিবলৈ দিয়ে যে কেবিনেটে লগতে উত্তৰ প্ৰদেশৰ আগ্ৰাত আন্তৰাষ্ট্ৰীয় আলু কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনায়। ইয়াৰ ফলত আলু আৰু মিঠা আলুৰ উৎপাদন বৃদ্ধি আৰু আলু বীজৰ সংৰক্ষণৰ ব্যৱস্থাপনা তথা মূল্য সংযোজনেৰে খাদ্য আৰু পৰিপুষ্টিৰ সুৰক্ষা, কৃষকৰ আয় আৰু চাকৰিৰ সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত দেশত জৰুৰীকালিন অৱস্থা ঘোষণা কৰা ৫০ বছৰ পালনৰ সিদ্ধান্ত লোৱা হয়। তেওঁ কয়, যে জৰুৰীকালিন অৱস্থাৰ সাহসীকতাৰে বিৰোধিতা কৰা অসংখ্য লোকৰ প্ৰতি সন্মান জনোৱাৰ উদ্দেশ্যে চৰকাৰে এই সিদ্ধান্ত লয়। বৈঠকৰ পূৰ্বে

জৰুৰীকালিন সময়ত দেশৰ গণতান্ত্রিক অধিকাৰ সুৰক্ষাৰ হকে যুজ দিয়া ব্যক্তিসকলৰ স্মৃতিত ২ মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। তেওঁ কয় যে আজিৰ বৈঠকত Axiom - 4 মহাকাশ অভিযানৰ সফল উৎক্ষেপনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰা হয়। এই অভিযানত ভাৰতীয় মহাকাশচাৰী গ্ৰুপ কেপ্টেইন সুধাংশু শুক্লা সহ-হাংগেৰী-পোলেণ্ড আৰু আমেৰিকাৰ ৪ গৰাকী মহাকাশচাৰী মহাকাশ কেন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছে।

০০০০

১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে। সেই সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰি সমগ্ৰ দেশতে ৰাজনৈতিক দলৰ নেতা-কৰ্মী, সাংবাদিক, শ্ৰমিক-সংগঠনৰ নেতাকে ধৰি প্ৰায় ডেৰ লাখ লোকক কাৰাৰুদ্ধ কৰিছিল আৰু সংবাদ মাধ্যমৰ স্বাধীনতা বিলুপ্ত কৰিছিল। ভাৰতীয় জনতা পাৰ্টী আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘকে ধৰি ভালেমান সংগঠনে আজি অসমতো সংবিধান হত্যা দিৱসৰ আয়োজন কৰিছে। এই দিৱসত দেশৰ সাংবিধানিক পৰম্পৰা আৰু বাক স্বাধীনতা যাতে কোনোপধ্যেই খৰ্ব নহয়, সেইক্ষেত্ৰত কাম কৰি যাবলৈ সকলো সংকল্পবদ্ধ হ'ব।

০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত The Emergency Diaries-Years that forged a leader" শীৰ্ষক গ্ৰন্থ উন্মোচন কৰে। দেশৰ জৰুৰীকালিন অৱস্থাৰ সময়ত ইয়াৰ বিৰুদ্ধে এগৰাকী যুৱ ৰাষ্ট্ৰীয় স্বয়ংসেৱক হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভূমিকাক এই গ্ৰন্থখনত স্থান দিয়া হৈছে। গণতন্ত্ৰৰ প্ৰমূল্যসমূহ ৰক্ষা আৰু ইয়াৰ প্ৰচাৰৰ বাবে শ্ৰীমোদীয়ে কেনেদৰে তেওঁৰ জীৱন অতিপাত কৰিছে তাৰ সবিশেষ বৰ্ণনা কৰা হৈছে। শ্ৰীমোদীৰ সৈতে বিভিন্ন সময়ত সেৱা আগবঢ়োৱা ব্যক্তিসকলৰ কথা ইয়াত সন্নিবিষ্ট কৰা হৈছে। অত্যাচাৰৰ বিৰুদ্ধে যুজ দিয়াৰ বাবে এগৰাকী যুৱ প্ৰজন্মৰ ব্যক্তিক গঢ় দিয়াৰ বাবে এই গ্ৰন্থখন বিশেষ সহায়ক হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে এই গ্ৰন্থখনে জৰুৰীকালিন বৰ্ষসমূহত কিদৰে তেওঁ জীৱন অতিবাহিত কৰিছিল সেই বিষয়ে আভাস পাব। প্ৰধানমন্ত্ৰীয়ে কয় যে যি সময়ত দেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল সেই সময়ত তেঁও ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ এগৰাকী যুৱ প্ৰচাৰক আছিল। শ্ৰীমোদীয়ে কয়, যে জৰুৰীকালিন অৱস্থাৰ বিৰুদ্ধে চলোৱা সংগ্ৰাম তেওঁৰ জীৱন গঢ় দিয়াৰ ক্ষেত্ৰত এটা বিশেষ অভিজ্ঞতা আছিল। তেওঁ কয়, যে দেশৰ গণতান্ত্ৰিক পৰিকাথামো সংৰক্ষণৰ বাবে সেই সময়ছোৱাত তেওঁ অধিক দৃঢ় কৰি তুলিছিল আৰু ৰাজনৈতিক পৰিসৰৰ বাহিৰতো তেওঁ জনসাধাৰণৰ পৰা অধিক শিক্ষা লাভ কৰিছিল। শ্ৰীমোদীয়ে সেই অন্ধকাৰ সময়ছোৱাত যিসকল ভুক্তভোগী লোক তথা তেওঁলোকৰ পৰিয়ালবৰ্গক সামাজিক মাধ্যমযোগে তেওঁলোকৰ সেই সময়ৰ অভিজ্ঞতা অৱগত কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে লগতে কয়, যে এই দিন পালনেৰে দেশৰ যুৱ প্ৰজন্মৰ মাজত ১৯৭৫ ৰ পৰা ১৯৭৭ চনলৈ দেশৰ জৰুৰীকালিন অৱস্থাৰ লজ্জাজনক পৰিস্থিতি সন্দৰ্ভত সজাগতা চলোৱাৰ প্ৰয়াস কৰা হৈছে।

০০০০

ইৰানৰ সংসদে আজি ৰাষ্ট্ৰসংঘৰ পাৰমাণৱিক কাৰ্যসূচী আন্তৰাষ্ট্ৰীয় আনৱিক শক্তি সন্থাৰ সৈতে সহযোগিতাৰ বাতিল কৰাৰ বিধেয়কত অনুমোদন দিছে। ইৰানৰ সংবাদ প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰই ইৰানৰ ৩ টা পাৰমাণৱিক ইছফাহান, ফৰদৌ আৰু নাটানজত আক্ৰমণ চলোৱাৰ পাছত এই সিদ্ধান্ত লোৱা হয়। সংসদৰ মুকলি

অধিবেশনত সাংসদসকলে এই ক্ষেত্ৰত সহমত প্ৰকাশ কৰে। ২২৩ গৰাকী প্ৰতিনিধিৰ ভিতৰত ২২১ গৰাকীয়ে ইয়াৰ সপক্ষে মত প্ৰকাশ কৰাৰ বিপৰীতে এগৰাকীয়ে ইয়াৰ বিৰোধিতা আৰু এগৰাকী মত প্ৰকাশৰ পৰা বিৰত থাকে। ইৰানৰ কৰ্তৃপক্ষই জানিবলৈ দিছে যে তেওঁলোকে তেওঁলোকৰ দেশৰ সাৰ্বভৌমত্ব সুৰক্ষা আৰু জনসাধাৰণৰ অধিকাৰৰ প্ৰতি লক্ষ্য ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০

ইৰানে আজি ইজৰাইলৰ চোৰাংচোৰা সংস্থা-মোছাদৰ হৈ কাম কৰাৰ বাবে ৩ গৰাকী লোকক দোষী সাব্যস্ত কৰিছে। ১৪ আৰু ২৩ জুনতো কেইবাগৰাকীও লোকক চোৰাংচোৰাগিৰি কাৰ্যৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল। ইৰান আৰু ইজৰাইলৰ মাজৰ সংঘাট অব্যাহত থকাৰ মাজতে এতিয়ালৈকে ৭০০ ৰো অধিক লোকক চোৰাংচোৰা অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছে। স্থানীয় সংবাদ প্ৰতিষ্ঠানৰ সূত্ৰ অনুসৰি ইৰানৰ চোৰাংচোৰা আৰু নিৰাপত্তা সংস্থাসমূহে দেশখনৰ কেইবাখনো প্ৰদেশৰ পৰা এই লোকসকলক গ্ৰেপ্তাৰ কৰিছে। ইৰানৰ বিৰুদ্ধে ইজৰাইলে ব্যাপক পৰিসৰত অভিযান চলোৱাৰ পাছত যোৱা ১৩ জুনৰ পৰা মধ্য প্ৰাচ্যত যুদ্ধসদৃশ পৰিস্থিতিৰ উদ্ভৱ হৈছে। তেহৰানেও ইজৰাইলৰ সামৰিক ক্ষেত্ৰক লক্ষ্য কৰি আক্ৰমণ সংঘটিত কৰিছে। দুয়োখন দেশে যুদ্ধ বিৰতিত সন্মতি প্ৰকাশ কৰাৰ পাছত দুয়োখন দেশৰ মাজৰ সংঘাটৰ অৱসান হৈছে।

০০০০

ওড়িশাৰ পুৰীত বিশ্ব প্ৰসিদ্ধ মহাপ্ৰভূ জগন্নাথৰ ৰথযাত্ৰা সফলতাৰে সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ নিৰাপত্তা ব্যৱস্থা সম্পূৰ্ণ কৰি তোলা হৈছে। পৰহিলৈৰ পৰা এই ৰথযাত্ৰা আৰম্ভ হ'ব। ওড়িশা আৰক্ষীয়ে যান-বাহনৰ আহ-যাহৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। লগতে জগন্নাথ মন্দিৰৰ ভিতৰ আৰু বাহিৰৰ চাৰিওকাষে নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ লগতে মহাপ্ৰভূ জগন্নাথ, সুভদ্ৰা আৰু বলভদ্ৰৰ ৰথৰ চাৰিওকাষে নিচ্ছিদ্ৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ উপৰিও পুৰীৰ উপকুলীয় অঞ্চলসমূহতো নিৰাপত্তা ব্যৱস্থা বৃদ্ধি কৰা হৈছে। প্ৰথমবাৰৰ বাবে পুৰী আৰু ইয়াৰ চাৰিওকাষে কৃত্ৰিম বুদ্ধিমত্তাযুক্ত সমুহীয়া নিয়ন্ত্ৰণ ব্যৱস্থাৰে ২৭৫ টা চিচি টিভি সংস্থাপন কৰা হৈছে। পবিত্ৰ উপকুলীয় চহৰ পুৰীত আৰক্ষীৰ ২০০ টা দল, বি এছ্ এফ  আৰু চি আৰ পি এফৰ ৮ টা কোম্পানী নিয়োজিত কৰা হৈছে। সাগৰীয় আৰক্ষী আৰু উপকূলৰক্ষীয়ে ভাৰতীয় নৌ বাহিনীৰ সেনা বিষয়াক অপ্ৰীতিকৰ পৰিস্থিতি প্ৰতিহত কৰাৰ বাবে সাগৰ অঞ্চলত তহল দিয়াৰ নিৰ্দেশ দিয়া হৈছে।

০০০০

পুৰুষৰ হকী ইণ্ডিয়া মাষ্টাৰ্ছ ক্লাৰ প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত তামিলনাডুৱে আজি চণ্ডিগড়ক ৩ গলত পৰাজিত কৰে। দ্বিতীয়খন ছেমিফাইনেল মহাৰাষ্ট্ৰই-ওড়িশাক ৪-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। পৰহিলৈ অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ ফাইনেল খেলত তামিলনাডু-মহাৰাষ্ট্ৰৰ মুখামুখি হ'ব।

০০০০

সমাপ্ত